# National Conference of WAPR IC: তেজপুৰত ৰাষ্ট্ৰীয় WAPRICৰ সন্মিলন সম্পন্ন

Published: March, 22, 2023



তেজপুৰ এল জি বি আঞ্চলিক মানসিক স্বাস্থ্য প্ৰতিষ্ঠানত সপ্তম ৰাষ্ট্ৰীয় WAPR ICৰ সন্মিলন সম্পন্ন । ইয়াৰ সৈতে সংগতি ৰাখি অনুষ্ঠিত হয় তিনিখন আলোচনা চক্ৰ ।

তেজপুৰ, ২২ মাৰ্চ : তেজপুৰৰ লোকপ্ৰিয় গোপীনাথ বৰদলৈ আঞ্চলিক মানসিক স্বাস্থ্য প্ৰতিষ্ঠানত For Psychosocial Rehabilitation Indian Chapter(WAPR IC)ৰ সপ্তম ৰাষ্ট্ৰীয় সন্মিলনখন যোৱা ১৭ মাৰ্চৰ পৰা দুদিনীয়া কাৰ্যসূৰ্যচীৰে অনুষ্ঠিত হয় ( National Conference of WAPR IC in Tezpur)। এই সন্মিলনখনত ২৫৭ গৰাকী বিশিষ্ট চিকিৎসকে অংশগ্ৰহণ কৰে । ছাইকিয়াট্ৰি, চাইকিয়াট্ৰিক ছ'চিয়েল ৱৰ্ক, ৰ্কক্লিনিকেল চাইক'লজি, চাইকিয়াট্ৰিক নাৰ্ছিং আৰু এনজিঅ'ৰ ৩৫গৰাকী সমল ব্যক্তিয়েও বৈজ্ঞানিক কাৰ্যসূৰ্যচীত অংশগ্ৰহণ কৰে । এই সন্মিলনৰ আৰম্ভণিতে মানসিক স্বাস্থ্য আৰু ইয়াৰ সংশ্লিষ্ট শাখাসমূহৰ বিভিন্ন ক্ষেত্ৰৰ অংশগ্ৰহণকাৰীৰ পঞ্জীয়ন কৰা হয় । কাৰ্যসূৰ্যচীৰ প্ৰথমাৰ্ধতৰ্ধ দুখন অধিবেশন আৰু তিনিখন আলোচনা চক্ৰ অনুষ্ঠিত হয় । এই আলোচনাত ডাঃ ভিকে ৰাধাকৃষ্ণন, ডাঃমুৰালী থাইলথ আৰু আমেৰিকাৰ প্ৰাপ্তবয়স্ক মানসিক স্বাস্থ্য সেৱাৰ সঞ্চালক ডাঃ আলেকজেণ্ডাৰ স্মিথয়ে অংশগ্ৰহণ কৰে । এছ চি আৰ এফৰ গৱেষণাৰ অধ্যক্ষ ডঃ আৰ থাৰাই "প্ৰয়াত অধ্যাপক এম চাৰাদা মেনন–এ লেগেচি ইন চাইকোছ'চিয়েল ৰিহেবিলিটেচন"ৰ ওপৰত এক বিশেষ বক্তৃ তা প্ৰদান কৰে । আনহাতে, ভাৰতত মনোসামাজিক পুনৰ্বা সনৰ ৰ্বা বিভিন্ন আৰ্হিৰৰ্হি বিষয়বস্তুৰ ওপৰত আলোচনা চক্ৰ অনুষ্ঠিত হয় । এই আলোচনাত ডঃ চি ৰামাসুব্ৰমণিয়ান, ডাঃ শশী ৰায়, ডঃ আৰ পদ্মৱতীয়ে বিভিন্ন শিতানত আলোচনা কৰে । ইয়াৰ পিছতেই "উত্তৰ–পূব ভাৰতত পুনৰ্বা সনৰ্বা " শীৰ্ষকৰ্ষ দ্বিতীয়খন আলোচনা চক্ৰ অনুষ্ঠিত হয় । এই আলোচনা চক্ৰত মিন্টু মনি শৰ্মা , ৰ্মাডাঃ নীলেশ মোহিতে আৰু ডাঃৰাজকুমাৰ লেনিন সিঙে অংশগ্ৰহণ কৰে । মনোৰোগ বিশেষজ্ঞ ডাঃ জি স্বামীনাথে 'মানসিক ৰোগত আক্ৰান্ত গৃহগৃ হীন ব্যক্তিৰ পুনৰ্বা সনৰ্বা ' শীৰ্ষকৰ্ষ তৃতীয় অধিবেশন ভাষণ প্ৰদান কৰে ( Rehabilitation of homeless persons suffering from mental illness)। ডাঃ ভাৰত বাটৱানী, অঞ্জনা গোস্বামীয়ে এই অনুষ্ঠানত অংশগ্ৰহণ কৰে । তেজপুৰ এল জি বি আঞ্চলিক মানসিক স্বাস্থ্য প্ৰতিষ্ঠানৰ অডিটৰিয়ামত আয়োজিত WAPR-ICৰ সপ্তম ৰাষ্ট্ৰীয় সন্মিলনৰ উদ্বোধনী অনুষ্ঠানত আদৰণি ভাষণ প্ৰদান কৰে এলজিবিআৰআইএমএইচৰ সঞ্চালক এছ কেই । ডাঃ গেব্ৰিয়েল ৰ'কা, ডাঃ ভি কে ৰাধাকৃষ্ণণে এই সন্মিলনত ভাষণ প্ৰদান কৰে ।